ULB

# Assamese Unlocked Literal Bible

## যিহূদাৰ পত্ৰ

### সংস্কৰণ 4

[as]

No warranties are given. The license may not give you all of the permissions necessary for your intended use. For example, other rights such as publicity, privacy, or moral rights may limit how you use the material.

# সুচিপত্ৰ

**যিহূ** **5**
‘যিহূদাৰ পত্ৰ’ৰ পাতনি 5
5
Chapter 1 5
**অবদানকাৰী** **7**
Assamese Unlocked Literal Bible অবদানকাৰী 7
Tischendorf Greek New Testament 8th edition অবদানকাৰী 7

# যিহূ

## ‘যিহূদাৰ পত্ৰ’ৰ পাতনি

লেখকৰ নাম অনুসাৰেই এই পত্ৰখনক ‘যিহূদাৰ পত্ৰ’ বুলি কোৱা হয়। যিহূদাই নিজৰ বিষয়ে যীচুৰ ভায়েক যাকোবৰ ভাই বুলি পৰিচয় দিছে। সেয়ে তেৰোঁ যীচুৰ ভাইসকলৰ মাজৰ এজন বুলি বিশ্বাসত লোৱা হয় (যিহূদা ১)। আমি নাজানো, এই পত্ৰখন পুৰণি নিয়মৰ প্ৰসঙ্গক লৈ কোনো এক নিৰ্দিষ্ট মণ্ডলীৰ কাৰণে অভিপ্ৰেত আছিল নে নাই; সম্ভৱতঃ ইহুদী লোকসকলৰ মাজতে যিহূদাৰ মূল পাঠকসকল গঢ়ি উঠিছিল। তথাপিও যিহূদাই তেওঁৰ পত্ৰখনত “যিসকল আমন্ত্ৰিত লোক, যিসকলে পিতৃ ঈশ্বৰক প্ৰেম কৰে আৰু যীচু খ্ৰীষ্টৰ কাৰণে ৰক্ষিত” (যিহূদা ১) সেই সকলো লোককে সম্বোধন কৰিছে। খ্ৰীষ্টৰ জন্মৰ পাছত, সম্ভৱতঃ ৬০ খ্ৰীষ্টাব্দত এই পত্ৰখন লিখা হৈছিল।

যিহূদাই সকলো খ্ৰীষ্টিয়ান লোকক উদ্দেশ্য কৰি এই পত্ৰখন লিখিছিল। এই পত্ৰ যোগে তেওঁলোকক ভণ্ড শিক্ষকসকলৰ দ্বাৰা বিপথে পৰিচালিত নহবলৈ সতৰ্ক কৰি দিয়াই আছিল, তেওঁৰ এই পত্ৰ লিখাৰ উদ্দেশ্য (যিহূদা ৪)। তেওঁ নিজৰ তৰ্কবোৰক শক্তিশালী কৰি তোলাত গুৰুত্ব দি পুৰণি নিয়মৰ ঘটনাবোৰ উল্লেখ কৰিছে। ভণ্ড শিক্ষকসকলৰ বিৰুদ্ধে সতৰ্ক কৰা আৰু চদোম-ঘমোৰা, স্বৰ্গদূতৰ উদ্ধৃতি দিয়া আদিকে ধৰি (যিহূদা ৪, ২পিতৰ ২:১), এই পত্ৰৰ বহুতো ধাৰণাক ‘পিতৰৰ দ্বিতীয় পত্ৰ’ত লিখা হৈছে।

চমু বিৱৰণ: প্ৰথমতে, যিহূদাই তেওঁৰ পাঠকসকলক সম্বোধন কৰিছে (১-২)। দ্বিতীয়তে, তেওঁ ভণ্ড শিক্ষকসকলৰ বিৰুদ্ধে বিশ্বাসীসকলক সতৰ্ক কৰি পত্ৰ লিখাৰ উদ্দেশ্য বাখ্যা কৰিছে (৩-৪)। পাছত তেওঁ পুৰণি নিয়মৰ ঘটনা আৰু লোকসকলৰ পৰা উদাহৰণ দাঙি ধৰিছে (৫-১৬)। তাৰ পাছত তেওঁ সাৱধনতাৰ প্ৰতি তেওঁলোকৰ প্ৰতিক্ৰিয়া কেনে হোৱা উচিত, সেই বিষয়ে কৈছে (১৭-২৩)। অৱশেষত তেওঁ ঈশ্বৰৰ প্ৰশংসা কৰি পত্ৰৰ সামৰণি মাৰিছে (২৪-২৫)।

## Chapter 1

## বিশ্বাসৰ পক্ষে প্ৰাণপণ কৰিবলৈ নিবেদন

**1**যিহূদা, যীচু খ্ৰীষ্টৰ এজন দাস আৰু যাকোবৰ ভাই; পিতৃ ঈশ্বৰত যি সকল প্ৰিয় পাত্ৰ আৰু যি সকল যীচু খ্ৰীষ্টৰ কাৰণে ৰক্ষিত[1] আছে, সেই
আমন্ত্ৰিত লোকসকলৰ সমীপলৈ: **2**আপোনালোকলৈ দয়া, শান্তি আৰু প্ৰেম বাহুল্যৰূপে হওক।

**3**হে প্ৰিয় সকল, আমাৰ সকলোৰে পৰিত্ৰাণৰ বিষয়ে লিখিবলৈ মই প্ৰয়োজন বোধ কৰোঁতে, ঈশ্বৰৰ পবিত্ৰ লোকসকলৰ ওপৰত এবাৰ সমৰ্পিত
হোৱা বিশ্বাসৰ পক্ষে প্ৰাণপণ[2] কৰিবলৈ দৃঢ় আহ্বান কৰি আপোনালোকলৈ লিখিলোঁ। **4**কিয়নো কোনো কোনো মানুহ গোপনে
আপোনালোকৰ মাজত সোমাল; তেওঁলোক যে দণ্ডৰ পাত্ৰ হ’ব, এই বিষয়ে পূৰ্বৰে পৰা লিখা আছে। তেওঁলোক ভক্তিহীন লোক। তেওঁলোকে
আমাৰ ঈশ্বৰৰ অনুগ্ৰহক লম্পট আচৰণত সলনি কৰে আৰু আমাৰ একমাত্ৰ অধিপতি আৰু প্ৰভুক, অৰ্থাৎ যীচু খ্ৰীষ্টক অস্বীকাৰ কৰে।

**5**কিন্তু এই বিষয়ে আপোনালোকে সকলো কথা জানিলেও, আপোনালোকক সোঁৱৰাব খোজো যে, প্ৰভুৱে মিচৰ দেশৰ পৰা তেওঁৰ লোক
সকলক ৰক্ষা কৰি উলিয়াই আনিলে, আৰু পাছত যি সকল লোকে তেওঁক বিশ্বাস নকৰিলে, সেই লোক সকলক তেওঁ বিনষ্ট কৰিলে।[3] **6**আৰু
যি স্বৰ্গৰ দূত সকলে নিজৰ আধিপত্য নাৰাখি, নিজ বাসস্থান ত্যাগ কৰিলে, তেওঁলোকক তেওঁ মহা-দিনৰ সোধ-বিচাৰৰ অৰ্থে, অনন্ত দণ্ডৰ
বন্ধনেৰে বান্ধি অন্ধকূপৰ অধীনত ৰাখিলে।

**7**এইটো ঠিক চদোম আৰু ঘমোৰা নগৰৰ নিচিনা, আৰু ইয়াৰ চাৰিওফালৰ নগৰবোৰ তেওঁলোকৰ দৰে বেশ্যাগমন আৰু পুংমৈথুনৰ অভিলাষত
লিপ্ত হ’ল। তেওঁলোকে অনন্ত জুইৰ শাস্তি ভোগ কৰি আমাৰ আগত আৰ্হি হৈ আছে। **8**তথাপি এইদৰে এই লোক সকলে সপোন দেখি
তেওঁলোকৰ শৰীৰক অশুচি কৰে, প্ৰভুত্বক অৱহেলা কৰে আৰু মহিমাৰ অধিকাৰী সকলৰ বিৰুদ্ধে নিন্দা কৰে।

**9**কিন্তু প্ৰধান স্বৰ্গৰ দূত মীখায়েলে যেতিয়া মোচিৰ মৃতদেহৰ বিষয়ে চয়তানৰ লগত বাদানুবাদেৰে বিচাৰ কৰি বাগযুদ্ধ কৰিলে, তেতিয়া তাৰ
বিৰুদ্ধে তেওঁ নিন্দা বা অপমান নকৰিলে; কিন্তু তাৰ পৰিৱৰ্তে তেওঁ ক’লে, “প্ৰভুৱে তোমাক ডবিয়াওক।” **10**কিন্তু তেওঁলোকে যি বিষয়ক
নাজানে, সেই বিষয়কে নিন্দা কৰে; জ্ঞানহীন পশুবোৰৰ দৰে তেওঁলোকে যিহক স্বাভাৱিকৰূপে জানে, তাতেই নষ্ট হয়। **11**তেওঁলোক সন্তাপৰ
পাত্ৰ; কিয়নো তেওঁলোকে কয়িনৰ[4] পথত গমন কৰিলে আৰু মূল্য পোৱাৰ অৰ্থে বিলিয়মৰ[5] ভ্ৰান্তিৰূপ পথত লৰ ধৰিলে আৰু কোৰহৰ[6]
প্ৰতিবাদত তেওঁলোক বিনষ্ট হ’ল।

**12**তেওঁলোক হ’ল, আপোনালোকৰ প্ৰেম-ভোজত একেলগে ভোজন কৰোঁতে, পানীৰ তলত লুকাই থকা বিঘ্নজনক শিলস্বৰূপ। তেওঁলোকে
নিৰ্লজ্জভাবে নিজকে নিজে নিৰ্ভয়েৰে প্ৰতিপালন কৰে। তেওঁলোক বতাহৰ দ্বাৰাই চলাই নিয়া পানী নথকা মেঘ; তেওঁলোক হেমন্ত-কালৰ

ফলহীন[7] গছ, উঘালি পৰা গছ, আৰু দুবাৰ মৰা। 13তেওঁলোক নিজৰ লাজ স্বৰূপে ফেন উলিওৱা সাগৰৰ প্ৰচণ্ড ঢৌ;[8] তেওঁলোক ভ্ৰমণকাৰী
তৰাৰ নিচিনা; সেইবোৰৰ কাৰণে তেওঁলোকলৈ চিৰকলীয়া ঘোৰ আন্ধাৰ সাঁচি থোৱা হৈছে।

14আদমৰ পৰা সপ্তম পুৰুষ যি হনোক,[9] তেৱোঁ তেওঁলোকৰ উদ্দেশ্যে ভাবোক্তি প্ৰচাৰ কৰি কৈছিল, "চোৱা, প্ৰভু নিজৰ অযুত অযুত পবিত্ৰ
লোকৰ সৈতে, 15সকলো লোকৰ সোধ-বিচাৰ কৰিবলৈ আৰু ভক্তিহীন সকলে নিজৰ সকলো ভক্তিহীন কাৰ্যৰ দ্বাৰাই যি ভক্তি লঙ্ঘন কৰিলে
আৰু ভক্তিহীন পাপী লোকে তেওঁৰ বিৰুদ্ধে যি কঠিন কথা ক'লে, সেই সকলোবোৰ বিষয়ত থকা দোষৰ প্ৰমাণ দিবলৈ আহিল।" 16তেওঁলোক
বিবাদকাৰী, স্ব-ভাগ্য নিন্দক আৰু নিজ নিজ অভিলাষৰ অনুগামী; তেওঁলোকৰ মুখে গৰ্ব-কথা কয়; তেওঁলোকে লাভৰ অৰ্থে মানুহক মুখেৰে
প্ৰশংসা কৰে।

17কিন্তু, হে প্ৰিয় সকল, আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ পাঁচনি সকলে পূৰ্বতে কোৱা কথা আপোনালোকে সোঁৱৰণ কৰক; 18তেওঁলোকে
আপোনালোকক ক'লে, "শেষ-কালত নিজ নিজ ভক্তিহীন অভিলাষৰদৰে চলা বিদ্ৰূপকাৰী সকল উপস্থিত হ'ব।" 19তেওঁলোক দলভেদ
কৰোঁতা আৰু ইন্দ্ৰিয়াসক্ত। তেওঁলোক পবিত্ৰ আত্মা নথকা।

20কিন্তু, হে প্ৰিয় সকল, আপোনালোকে নিজৰ পৰম পবিত্ৰ বিশ্বাসৰূপ ভিত্তিমূলত নিজক গাঁথি লওঁক আৰু পবিত্ৰ আত্মাত প্ৰাৰ্থনা কৰক;
21ঈশ্বৰৰ প্ৰেমক ধৰি ৰাখক আৰু অনন্ত জীৱনৰ অৰ্থে, আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ দয়ালৈ অপেক্ষা কৰি থাকক।

22আৰু যি সকলে সন্দেহ কৰে, এনে লোক সকলক দয়া কৰক; 23কিছুলোকক জুইৰ পৰা থাপ মাৰি আনি ৰক্ষা কৰক আৰু কিছুমান লোকক
ভয়েৰে দয়া কৰক, মাংসৰ দ্বাৰা কলঙ্কিত বস্ত্ৰ ঘিণ কৰক।

24এতিয়া যি জনে আপোনালোকক বাধাৰ পৰা ধৰি ৰাখিবলৈ সমৰ্থ আৰু তেওঁৰ প্ৰতাপৰ আগত নিৰ্দোষীৰূপে অসীম আনন্দৰ সৈতে উপস্থিত
কৰিবলৈও সমৰ্থ, 25তেৱেঁই একমাত্ৰ ঈশ্বৰ, আমাৰ ত্ৰাণকৰ্তা; প্ৰভু যীচু খ্ৰীষ্টৰ দ্বাৰা তেওঁৰেই মহিমা, মহত্ব, অধিকাৰ আৰু ক্ষমতা, যুগৰ পূৰ্বতে
আৰু এতিয়া আৰু চিৰকাললৈ হওক। আমেন।

---

1:1 [1]
1:3 [2]
1:5 [3]
1:11 [4]
1:11 [5]
1:11 [6]
1:12 [7]
1:13 [8]
1:14 [9]

# অবদানকাৰী

## Assamese Unlocked Literal Bible অবদানকাৰী

Ajit Kumar Singha
Antoney Raj
Basanta Kumar Sarma
Cdr. Thomas Mathew
Dr. Bobby Chellappan
Hinal Prakash
Jobby Prasannan
Jumi Devi
Kanika Dhar
Kavita Bora
Merlyn Easa
Numali Tara
Rev. Tarun Singha
Rinu John
Sangeet Momin
Shojo John
Door43 World Missions Community

## Tischendorf Greek New Testament 8th edition অবদানকাৰী

eBible.org
Clint Yale
Dr. Maurice A. Robinson
Ulrik Sandborg-Petersen
Door43 World Missions Community